# অসম আদিত্য

মাঘ, ১৯৪৭ শক ■ বুধবাৰ, ২৮ জানুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, January 28, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## জ্যোতিপ্ৰসাদ কানৈক ‘শিক্ষা শিৰোমণি’ সন্মান প্ৰদান



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)-ৰ পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক মহাবিদ্যালয় পৰিয়ালে ৭৭ সংখ্যক গণৰাজ্য দিৱসত ‘শিক্ষা শিৰোমণি’ সন্মান প্ৰদান কৰে। লগতে গণৰাজ্য দিৱসৰ একেটা অনুষ্ঠানতে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী পৰশা কোঁৱৰক ‘কণ্ঠ সৌৰভ’ সন্মান, জনপ্ৰিয় অনাতাঁৰ ঘোষিকা, শিক্ষয়িত্ৰী মৈত্ৰেয়ী ফুকনক ‘সুৰীয়া কণ্ঠ’ সন্মান আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট সমাজকৰ্মী আহমদ আলি আয়ুবিক ‘মানৱ বন্ধু’ সন্মান প্ৰদান কৰে। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি পুৱা ৭ বজাৰ লগে লগে ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিবাসৰ প্ৰাংগণত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। সমান্তৰালভাৱে ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ প্ৰাংগণত ছাত্ৰাবাসৰ অধীক্ষক ড০ বিৰাজ দত্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। কানৈ মহাবিদ্যালয়ৰ প্ৰাংগণত পুৱা ৭.৩০ বজাত মূল পতাকা উত্তোলন কৰে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আৰু সহযোগিতা কৰে পৰিচালনা সমিতিৰ দাতা পৰিয়ালৰ সদস্য জ্যোতিপ্ৰসাদ কানৈ আৰু শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকনে। মহাবিদ্যালয়ৰ মূল পতাকা উত্তোলন কৰি অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ শুভকামনা জ্ঞাপন কৰাৰ লগতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত আত্ম বলিদান দিয়া প্ৰতিগৰাকী শ্বহীদক স্মৰণ কৰি নৱপ্ৰজন্মক দেশৰ উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ড০ বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত বিগত বৰ্ষসমূহৰ দৰে কানৈ মহাবিদ্যালয়ৰ পৰিয়ালে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ কৃতজ্ঞতাৰ চিন স্বৰূপে সমাজৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে— প্ৰাক্তন ছাত্ৰী, কৃতী শিক্ষয়িত্ৰী, সমাজকৰ্মী, সাংস্কৃতিককৰ্মী বিউটী লেখাৰু শইকীয়া, বিশিষ্ট সাংস্কৃতিককৰ্মী সুতাপা চৌধুৰী, বিশিষ্ট কবি, সাহিত্যিক মিনাক্ষী দাস বৰুৱা আৰু বিশিষ্ট কবি, সাহিত্যিক বিতুমণি ফুকনক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ সমান্তৰালভাৱে কানৈ মহাবিদ্যালয়ত শিক্ষকতাৰ বৃত্তিত আত্মনিয়োগ কৰি ২৫ বছৰ অৰ্থাৎ কৰ্ম জীৱনৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে— ড০ লামখোলাল ডুঙ্গেল, ড০ মৃদুল শৰ্মা, ৰাজীৱ লোচন বৰা, ড০ সঞ্চিতা বৰুৱা, আদিত্য দাহাল, অদিতি কোঁৱৰ গগৈ, অনন্ত টেৰণক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। লগতে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপক ড০ অপূৰ্ব দত্ত আৰু ড০ অমিতাভ দলেক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ আন কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মিউজিকেল চেয়াৰ, ৰচী টনা খেল, টেকেলী ভঙা আদি খেল অনুষ্ঠিত কৰা হয়।

## ১৬ গৃহহীন শ্ৰমিক

**ডিব্ৰুগড়, ২৭ জানুৱাৰী ঃ** অসম চাহ মজদুৰ সংঘৰ ডিব্ৰুগড় শাখ
দীৰ্ঘদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত দক্ষিণ জালান নগৰ চাহ বাগিচ
১৬ গৰাকী গৃহহীন শ্ৰমিক পৰিয়ালৈ বৃহৎ সকাহ আহিছে
বাগিচাৰ স্বত্বাধিকাৰী তথা চাহ উদ্যোগপতি মৃগেন্দ্ৰ জালা
প্ৰতিটো শ্ৰমিক পৰিয়ালক একেই একেই এক কঠা মাটি
আপত্তিবিহীন-পত্ৰ (এনঅ’চি) প্ৰদান কৰে। জানিব পৰা মতে এ
ভূমিহীন শ্ৰমিক পৰিয়ালসমূহে দীৰ্ঘদিন ধৰি বাগিচা লাইন
কোৱাৰ্টাৰত অস্থায়ী চালি সাজি অথবা ভাৰাঘৰত বাস কৰি বিভি
সমস্যাৰ সন্মুখীন হৈ আহিছিল। অসম চাহ মজদুৰ সংঘ, ডিব্ৰুগ
শাখাৰ সম্পাদক নবীন চন্দ্ৰ কেওটৰ সবল নেতৃত্বত বিষয়
ধাৰাবাহিকভাৱে উত্থাপন কৰা হৈছিল আৰু একাধিক বৈঠক

## কৰ্তব্যপথত অসমক প্ৰতিনি

**ডিব্ৰুগড়, ২৭ জানুৱাৰী ঃ** নতুন দিল্লীৰ কৰ্তব্যপথত অনুষ্ঠিত ভাৰতৰ ৭৭তম গণতন্ত্ৰ দিৱসৰ পেৰেডত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এনএছএছ পিজি ইউনিটৰ স্বেচ্ছাসেৱিকা লিমন গগৈ আৰু ধেমাজি চিটি কলেজৰ এনএছএছ ইউনিটৰ স্বেচ্ছাসেৱক লক্ষ্মীনন্দন সোনোৱালে MYBharat এনএছএছ কণ্টিনজেণ্টৰ অংশ হিচাপে অসমক প্ৰতিনিধিত্ব কৰি গৌৰৱ অৰ্জন কৰে। গণতন্ত্ৰ দিৱসৰ পিছত অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত গগৈ বিশেষভা
প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হয়। উল্লেখযোগ
অসমৰ বৈষ্ণৱ পৰম্পৰাৰ সৈতে সংলগ্ন
নৃত্যশৈলী। উল্লেখ্য যে পৰ্যায়ক্ৰমিক
জৰিয়তে অসম ৰাজ্যৰ পৰা নিৰ্বাচিত
MYBharat এনএছএছ স্বেচ্ছাসেৱক
বিশ্ববিদ্যালয়ৰ দুগৰাকী স্বেচ্ছাসেৱ

নেওগ (৯০ বছৰ)ৰ
সংঘৰ সম্পাদক খনি
বিষয়ববীয়াসকলে মু
হেলিপেডত হেলিক
অহাৰ সময়ত লগ ধ
অতিক্ৰম কৰা ধ্ৰুৱজো
নিৰ্মাণৰ বাবে আৰ্থিক
অসম চিকিৎসা মহা
হিলৈধাৰি গাঁৱৰ হৈ ৰা
মোহনবাৰী, ৰহমৰী

তি ধৰিছে বিধ

দিবই ল

ওক ঃ আজমল

া’ হৈ পৰিছে ৰাজ্যৰ ৰাজনীতি
মিঞাক কষ্ট দিবলৈ বিজে
ৰী কৰি থকাত ‘মিঞা’ বিদ্বেষ
দ্দিন আজমল আৰু ৯ পৃষ্ঠা

ৰ প্ৰসংগত মোদী

নৈতিক

ক প্ৰভাৱো

চুক্তিয়ে

দিল্লী, ২৭ জানুৱাৰী ঃ মু
জ্য চুক্তিয়ে দেশৰ হিতসা
বুলি দৃঢ় বিশ্বাসী ৬ পৃষ্ঠা

পাকিস্তান

ছেদ সং

দিল্লী, ২৭ জানুৱাৰী ঃ ৰা
কৰাৰ লগে লগে দৃশ্যপট প
দৃষ্টিৰ পৰা বঞ্চিত হ’ল পাকি